**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***<u>HEADLINES</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব।

৩। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে চলিত বৰ্ষৰ ক্ৰীড়া বঁটাৰ বাবে আবেদন আহ্বান কৰিছে।

৪। শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। দেশৰ বিভিন্ন প্ৰান্তত  দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে।

আৰু

৫। গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত হ'বলগীয়া ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ এছ এছৰ শতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত আৰ এছ এছৰ ইতিহাস, সাংস্কৃতিক অৱদান আৰু দেশৰ অখণ্ডতা ৰক্ষাত থকা ভূমিকাত আলোকপাত কৰা হ'ব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে প্ৰস্তুত কৰা এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰা মুকলি কৰিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু অন্যান্য দলীয় নেতাই বিজেপিৰ সদ্যপ্ৰয়াত বৰ্ষীয়ান নেতা বিজয় কুমাৰ মালহোত্ৰাৰ নতুন দিল্লীৰ বাসভৱনলৈ গৈ নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নতুন দিল্লীৰ এইমছত আজি পুৱা বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীৰ ৯৩ বছৰ বয়সত মৃত্যু হয়। তেওঁ বিজেপিৰ দিল্লী গোটৰ প্ৰথমগৰাকী সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বিজয় কুমাৰ মালহোত্ৰাৰ বিয়োগত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে শ্ৰী মালহোত্ৰা জনসাধাৰণৰ সমস্যাক গভীৰভাৱে অনুধাৱন কৰা নেতা আছিল। প্ৰধানমন্ত্ৰীয়ে দিল্লীত বিজেপিৰ সংগঠনক শক্তিশালী কৰি তোলাত শ্ৰী মালহোত্ৰাই আগবঢ়াই যোৱা অৱদানক সোঁৱৰণ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনেও বিজয় কুমাৰ মালহোত্ৰাৰ বিয়োগত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে কয়, যে বিজয় কুমাৰ মালহোত্ৰাই জনসাধাৰণৰ সমস্যা বুজি পাইছিল আৰু ৰাজহুৱা জীৱন তথা ক্ৰীড়া প্ৰশাসনলৈ আগবঢ়াই যোৱা অৱদানৰ বাবে প্ৰয়াত নেতাগৰাকী স্মৰণীয় হৈ থাকিব।

বিজেপিৰ সভাপতি জে পি নাড্ডাই শোক প্ৰকাশ কৰি কয়, যে বিজয় কুমাৰ মালহোত্ৰা সৰলতা আৰু কৰ্ম নিষ্ঠাৰ বাবে জনজাত আছিল। দিল্লীত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰি তোলাৰ লগতে অগণন কৰ্মীক নেতাগৰাকীয়ে উদ্বুদ্ধ কৰিবলৈ সমৰ্থ হৈছিল বুলি শ্ৰী নাড্ডাই প্ৰকাশ কৰ।

০০০০০০০০০

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আজি প্ৰকাশ কৰা হ'ব। এই তালিকাৰ অধীনতে ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। নিৰ্বাচন আয়োগে অনলাইন যোগে ভোটাৰ তালিকা প্ৰকাশ কৰিব আৰু বিয়লিলৈ আয়োগৰ ৱেবছাইটত এয়া উপলভ্য হ'ব। বিহাৰৰ মুখ্য নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনৰ প্ৰতিখন জিলাৰ নিৰ্বাচন বিষয়া তথা জিলা দণ্ডাধীশলৈ ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰা হ'ব। এই তালিকাৰ প্ৰতিলিপি সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ ৰাজনৈতিক দললৈও প্ৰেৰণ কৰা হ'ব।

ভোটাৰ তালিকাৰ বিশেষ সংশোধন অভিযানৰ পাছত ভোটাৰ তালিকাৰ খচৰা যোৱা এক আগষ্টত প্ৰকাশ কৰা হৈছিল। এই খচৰাত সাত কোটি ২৪ লাখৰো অধিক ভোটদাতাৰ নাম অন্তৰ্ভুক্ত হৈছিল। যোৱা বছৰৰ লোকসভা নিৰ্বাচনত বিহাৰৰ ভোটদাতাৰ সংখ্যাই সাত কোটি ৮৯ লাখ স্পৰ্শ কৰিছিল। ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ পাছত আন ঠাইলৈ গুচি যোৱা অথবা অবৈধভাৱে তালিকাত নাম সোমোৱা প্ৰায় ৬৫ লাখ ভোটদাতাৰ নাম তালিকাৰ পৰা বাদ পৰিছিল। তাৰ পাছত ওজৰ-আপত্তি প্ৰক্ৰিয়াৰ জৰিয়তে ১৬ লাখ ৫৯ হাজাৰ যোগ্য নাগৰিকে Form-6 দাখিল কৰি ভোটাৰ তালিকাত নিজৰ নাম অন্তৰ্ভুক্ত কৰে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি প্ৰায় তিনি লাখ ভোটদাতালৈ প্ৰয়োজনীয় নথি-পত্ৰ দাখিল নকৰাৰ বাবে জাননী প্ৰেৰণ কৰা হৈছিল।

০০০০০০০০০

গান্ধী জয়ন্তী উদযাপনৰ মাত্ৰ দুদিন পূৰ্বে লণ্ডনৰ টাভিছটক স্কোৱেৰত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তি দুৰ্বৃত্তই ভাঙি পেলায়। এই ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো ভাৰত বিৰোধী দেৱাল লিখনৰ মাজত পৰি থকা অৱস্থাত উদ্ধাৰ হয়। ঘটনাটোত লণ্ডনত থকা ভাৰতৰ উচ্চায়ুক্তই কঠোৰ ভাষাৰে গৰিহণা দিছে। উচ্চায়ুক্তৰ কাৰ্যালয়ে এই ঘটনাক নিন্দা কৰি এয়া শান্তি আৰু অহিংসাৰ আদৰ্শত আক্ৰমণ হিচাপে অভিহিত কৰে। লণ্ডন আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। প্ৰতি বছৰে দুই অক্টোবৰত গান্ধী জয়ন্তীত এই মূৰ্তিটোৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান হৈ আহিছে। বছৰ বছৰ ধৰি টাভিছটক স্কোৱেৰ লণ্ডনৰ শান্তি উদ্যান হিচাপে পৰিচিত হৈ আহিছে। জাপানৰ হিৰোছিমাত সংঘটিত আণৱিক বোমাত নিহত সকলৰ সোঁৱৰণত এই উদ্যানখনত এজোপা ছেৰী গছ ৰোপণ কৰা হৈছিল।

০০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৫ বৰ্ষৰ ক্ৰীড়া বঁটাৰ বাবে আবেদনৰ আহ্বান জনাইছে । মন্ত্ৰালয়ৰ চৰকাৰী ৱেবছাইটত এই বঁটাৰ বাবে জাননী আপলোড কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি যোগ্য খেলুৱৈ আৰু প্ৰশিক্ষকসকলে ২৮ অক্টোবৰৰ ভিতৰত www.dbtyas-sports.gov.in পৰ্টেলৰ জৰিয়তে আবেদন দাখিল কৰিব পাৰিব।

উল্লেখযোগ্য যে ক্রীড়াৰ ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰাৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে ক্ৰীড়া বঁটা প্ৰদান কৰা হয়। একোগৰাকী ক্ৰীড়াবিদৰ অসাধাৰণ আৰু দৰ্শনীয় প্ৰদৰ্শনৰ বাবে "মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা" প্ৰদান কৰা হয়। ক্ৰীড়াত প্ৰদৰ্শনৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা আৰু ব্যতিক্ৰমী প্ৰদৰ্শনৰ বাবে অৰ্জুন বঁটা প্ৰদান কৰা হয়। ক্ৰীড়াৰ বিকাশৰ ক্ষেত্ৰত আজীৱন আগবঢ়োৱা অৱদানৰ বাবে "জীৱনজোৰা অৰ্জুন বঁটা" আগবঢ়োৱা হয়। ইয়াৰ উপৰি আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠানত পদক বিজয়ী খেলুৱৈৰ প্ৰশিক্ষকক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়।

ooooooooo

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

আমাৰ সংবাদদাতাই জনোৱা অনুসৰি দুৰ্গাপূজা অসমৰ অন্যতম আটাইতকৈ উলহ-মালহেৰে উদযাপন কৰা উৎসৱ। কেৱল গুৱাহাটী মহানগৰতে ৫০০ ৰো অধিক মণ্ডপত দুৰ্গাপূজা অনুষ্ঠিত হৈছে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শাৰদীয় দুৰ্গা পূজা উপলক্ষে দেশ-বিদেশৰ ভাৰতীয়সকলক শুভাচ্ছা জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে এই উৎসৱে দেশৰ সংস্কৃতি, বিশ্বাস আৰু আধ্যাত্মিক ঐতিহ্যক প্ৰতিফলিত কৰে। মা দুৰ্গাৰ নটা ৰূপৰ আৰাধনাই জনসাধাৰণক সত্য, ন্যায় আৰু সহানুভূতিৰ প্ৰতি উদ্বুদ্ধ কৰি তোলে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰে যে, শাৰদীয় দুৰ্গোৎসৱে সকলোকে সুখ, শান্তি আৰু সু-স্বাস্থ্য প্ৰদান কৰিব। গৃহমন্ত্ৰী অমিত শ্বাহে সকলোৰে কল্যাণ, সুখ আৰু সমৃদ্ধিৰ বাবে দেৱী দুৰ্গাক প্ৰাৰ্থনা জনায়।

ooooooooo

প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহানে ভৱিষ্যতে পাৰমাণৱিক অস্ত্ৰৰ পৰা জৈৱ বৈচিত্ৰ্যলৈ আহিব পৰা প্ৰত্যাহ্বানসমূহৰ বিৰুদ্ধে সাজু হ'বলৈ সকলোকে আহ্বান জনায়। নতুন দিল্লীত সামৰিক নাৰ্চিং সেৱাৰ ১০০ সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাষণ দি তেওঁ কয় যে ক'ভিড মহামাৰীৰ পাছৰ পৰা এই প্ৰত্যাহ্বান বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে আৰু ইয়াৰ বিৰুদ্ধে প্ৰতিৰক্ষাৰ বাবে সাজু হোৱাৰ সময় আহি পৰিছে। কঠোৰ পৰিস্থিতিত চিকিৎসাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা সামৰিক নাৰ্চিং সেৱাৰ প্ৰচেষ্টাকো তেওঁ প্ৰশংসা কৰে। তেওঁ কয় যে সংঘাতৰ সন্মুখৰ শাৰীতেই হওক, অস্থায়ী চিকিৎসালয়তেই হওক, সাগৰত জাহাজত উঠি

হওক বা আন অভিযানতেই হওক, সামৰিক নাৰ্চিং সেৱাৰ নিষ্ঠাই আহতসকলক সান্ত্বনা দিয়াৰ লগতে আশা হেৰুৱাই পেলোৱা লোকসকলৰ বাবে আশা কঢ়িয়াই আনে।

০০০০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰত, শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। ভাৰতৰ দলটোৱে এইবাৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ খিতাপ লাভৰ বাবে ৪৭ বছৰীয়া অপেক্ষাৰ অন্ত পেলাবলৈ চেষ্টা কৰিব। এইবাৰৰ প্ৰতিযোগিতাত অষ্ট্ৰেলিয়া, ইংলেণ্ড, ভাৰত, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা, শ্ৰীলংকা, বাংলাদেশ আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। এই দলসমূহে ভাৰতৰ চাৰিটা আৰু কলম্বোৰ এটা স্থানত ৰাউণ্ড ৰবীন পৰ্যায়ত ২৮ খন লীগ মেচত অংশগ্ৰহণ কৰিব। ভাৰত আৰু পাকিস্তানৰ মাজৰ বহু প্ৰত্যাশিত খেলখন অহা ৫ অক্টোবৰত কলম্বোত অনুষ্ঠিত হ'ব। আজি উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় সদ্যপ্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে প্ৰকাশ কৰিছে। দেশৰ জনপ্ৰিয় শিল্পী শ্ৰেয়া ঘোষালে আজি জুবিন গাৰ্গক **মায়াবিনী** গীতটোৰে শ্ৰদ্ধাঞ্জলি জনাব। ইপিনে গুৱাহাটীত হ'বলগীয়া খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০০০

সমাপ্ত